**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। অহা বছৰৰ ভিতৰত ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ১৮ লৈ বৃদ্ধি পাব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। মৰিগাঁৱত আজি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠক।

৩। সাংস্কৃতিক মন্ত্ৰী বিমল বৰাৰ ডুবাইত এডভাণ্টেজ আছাম বিনিয়োগ তথা আন্তঃগাঁথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰ।

৪। জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰে পৰা গোভা দেওৰজাৰ ঐতিহাসিক জোনবিল মেলা। *আৰু*

৫। ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলৰ খো-খো বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ।

oooooo

ৰাজ্যত অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহৰ উন্নয়ন সম্পৰ্কে বহুদিনৰ পৰা চিন্তা-চৰ্চা অব্যাহত আছে।ৰাজ্য চৰকাৰে ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহৰ লগত প্ৰতিযোগিতা কৰিব পৰাকৈ নতুন ভৱন, নতুন আন্তঃগাঁথনি, স্মাৰ্ট ক্লাছ আদিৰে অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহক সুসজ্জিত কৰাৰ প্ৰয়াস কৰিছে। এনে প্ৰয়াসৰ প্ৰথম ফল বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দেখিবলৈ পোৱা গৈছে। কামৰূপ জিলাৰ বেজেৰা আদৰ্শ বিদ্যালয়ৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰি কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে চলিত বৰ্ষত এনে আৰু ৪৯৯খন বিদ্যালয় মুকলি কৰা হ'ব। তেওঁ কয়, যে ৰাজ্য চৰকাৰে বিশ্বমানৰ সা-সুবিধাৰ সৈতে প্ৰতিখন বিদ্যালয়ৰ উন্নয়নৰ বাবে ৮ কোটি টকা বিনিয়োগ কৰি স্কুলীয়া আন্তঃগাঁথনিৰ ক্ষেত্ৰত বিপ্লৱৰ সূচনা কৰিছে। অসমৰ স্কুলীয়া শিক্ষাৰ বাবে এয়া ঐতিহাসিক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে দুখীয়া আৰু মধ্যবিত্ত পৰিয়ালৰ শিশুসকলৰ প্ৰকৃত সবলীকৰণৰ উদ্দেশ্যে পৰৱৰ্তী পাঁচ বছৰত এনে ৫ হাজাৰখন বিদ্যালয় নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰিছে। তেওঁ কয় যে ইয়াৰ ফলত শিশুসকলে চৰকাৰী বিদ্যালয়তে উত্তম শিক্ষা লাভ কৰিবলৈ সমৰ্থ হ'ব। তেওঁ লগতে অহা বছৰৰ ভিতৰত ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ১৮ লৈ বৃদ্ধি পাব বুলি প্ৰকাশ কৰে। নাৰেংগী-কুৰুৱাৰ দলং শীঘ্ৰেই শুভাৰম্ভ কৰা হ'ব বুলি উল্লেখ কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰতিখন জিলাত কমেও একোখনকৈ দলং আৰু প্ৰতিখন জিলাত একোখনকৈ চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

oooooo

মৰিগাঁৱত আজি ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠক অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত পুৱা চাৰে দহ বজাৰ পৰা জিলা আয়ুক্তৰ কাৰ্যালয়ত এই বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। বৈঠকত মৰিগাঁও জিলাৰ সামগ্ৰিক উন্নয়নৰ বাবে ভালেমান আঁচনি আৰু প্ৰকল্প গ্ৰহণ কৰা হ'ব। জিলাখনৰ ১০০ বছৰীয়া বিদ্যালয়, প্ৰাদেশিকৃত মহাবিদ্যালয় আৰু কেইবাখনো সত্ৰলৈ আজি বিত্তীয়

অনুদান আগবঢ়োৱাৰো সম্ভাৱনা আছে। বৈঠকৰ পাছত মুখ্যমন্ত্ৰী ডং শৰ্মাৰ নেতৃত্বত মন্ত্ৰীসভাৰ সদস্যসকলে জাগীৰোড ছেমি কণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰিব।

০০০০০০

সাংস্কৃতিক মন্ত্ৰী বিমল বৰাই কালি ডুবাইৰ এটা ৰোড শ্ব'ত এডভাণ্টেজ আছাম বিনিয়োগ তথা আন্তঃগাঁথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰচাৰ চলায়। সম্ভাব্য বিনিয়োগকাৰীসকলক উৎসাহিত কৰিবলৈ এই ৰোড শ্ব'ত অসমৰ অৰ্থনৈতিক উন্নয়ন আৰু বিনিয়োগ সম্ভাৱনাসমূহ প্ৰদৰ্শন কৰা হয়। এই সন্মিলনলৈ আমন্ত্ৰণ জনাই মন্ত্ৰীগৰাকীয়ে এইদৰে কয় -

**-বাইট-**

ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ডুবাইৰ হিলটন হোটেলত আয়োজিত এখন বিনিয়োগকাৰীৰ বৈঠকতো মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে অসমে পৰম্পৰাগত উদ্যোগৰ পৰা অত্যাধুনিক প্ৰযুক্তিগত সা-সুবিধালৈকে বিভিন্ন উদ্যোগ আৰু উদ্ভাৱন খণ্ডত বিনিয়োগ কৰাৰ বাবে অনন্য সুযোগ আগবঢ়াইছে। তেওঁ লগতে আন্তঃগাঁথনি উন্নয়নমূলক প্ৰকল্পসমূহতো বিনিয়োগকাৰীসকলে বিনিয়োগৰ লাভজনক সুযোগ গ্ৰহণ কৰিব পাৰে বুলি উল্লেখ কৰে। ৭ খন ৰাষ্ট্ৰীয় উদ্যান, ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতিপ্ৰাপ্ত ৩টা স্থানসহ অসমৰ প্ৰাকৃতিক ঐতিহ্যৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে সুগন্ধিৰ বাবে জনাজাত অগৰুৰ ৯৭ শতাংশ অসমতে পোৱা যায়।

ইপিনে, মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যম এক্সযোগে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত আন্তঃগাঁথনি উন্নয়ন, ইলেক্ট্ৰনিকছ আৰু ছেমি কণ্ডাক্টৰ, মহাকাশ আৰু প্ৰতিৰক্ষা নিৰ্মাণ, নৱীকৰণযোগ্য শক্তি আৰু হাইড্ৰ' কাৰ্বন, পৰ্যটন, সুগন্ধি, পৰিবহণ, খাদ্য আৰু শীতল পানীয় খণ্ডত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব বুলি প্ৰকাশ কৰে। গুৱাহাটীত অহা মাহত হ'বলগীয়া এই সন্মিলনে বিভিন্ন খণ্ডৰ পক্ষসমূহক ঐক্যবদ্ধ কৰিব বুলি উল্লেখ কৰি ডং শৰ্মাই কয়, যে অনাগত সময়ত ৰাজ্যৰ জনসাধাৰণক অধিক চৰকাৰী চাকৰি আৰু উদ্যমশীলতা বিষয়ক সাহায্য প্ৰদান কৰা হ'ব। এডভাণ্টেজ আছাম সন্মিলনে ৰাজ্যখনলৈ বিনিয়োগ আকৰ্ষিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোভা দেওৰজাৰ পৰম্পৰাগত ঐতিহাসিক জোনবিল মেলা অনুষ্ঠিত হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি জোনবিল মেলাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই মেলাত মধ্য অসমৰ ২২ গৰাকী তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰা হ'ব। গোভা দেওৰজাৰ অৰম বিলত সমূহীয়া মাছ ধৰা পৰ্ব আৰু ৰজাৰ বিষয়াবৰ্গই প্ৰতীকিৰূপত কৰ সংগ্ৰহৰ পাছতে তিনিদিনীয়া এই মেলাৰ সামৰণি পৰিব।

বিভিন্ন জাতি-জনগোষ্ঠীয় লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত অনুষ্ঠিত এই মেলাত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। গোভা দেওৰজাৰ বিবাহ অনুষ্ঠানৰ ইতিহাস জড়িত এই মেলাত পাৰম্পৰিকভাৱে বিনিময় প্ৰথাৰ হাট অনুষ্ঠিত হৈ আহিছে। অসমৰ পাৰ্বত্য জিলাকেইখনৰ লগতে চুবুৰীয়া মেঘালয়ৰো শতাধিক গাঁৱৰ ৰাইজে প্ৰতি বছৰে এই মেলাত স্থানীয়ভাৱে উৎপাদিত কৃষিজাত সামগ্ৰীৰ বিনিময় কৰে। অসমৰ লোক সংস্কৃতিৰ অনন্য উপাদান এই মেলাত সমূহীয়া মাছ ধৰা পৰ্বৰ লগতে পাৰম্পৰিক খেল-ধেমালি আৰু বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী তথা সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব। --- **বাইট** ---

০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ১৫ জানুৱাৰীত হ'বলগীয়া ইউ জি চি নেট ডিচেম্বৰ ২০২৪ৰ বাতিল হোৱা পৰীক্ষাৰ নতুন সময়সূচী ঘোষণা কৰিছে। এটা বিবৃতিযোগে সংস্থাটোৱে অহা ২১ আৰু ২৭ জানুৱাৰীত এই পৰীক্ষা অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিছে। পৰীক্ষাৰ বিস্তৃত সূচীৰ বাবে এন টি এৰ ৱেবছাইট চাব পাৰিব।

০০০০০০

ৰাজ্যিক বিজেপিৰ নতুন সভাপতি কাইলৈ ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে আজি সন্ধিয়া ৭ বজালৈ সভাপতি পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব পৰা যাব। তেওঁ কয়, যে এখন মনোনয়ন পত্ৰ দাখিল হ'লে তেওঁৱেই সভাপতি হ'ব আৰু একাধিক মনোনয়ন দাখিল হ'লে নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যিক সভাপতি নিৰ্বাচনৰ বাবে দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সুনীল বানচাল, সম্বিৎ পাত্ৰ আৰু প্ৰভাৰী হৰিশ দ্বিবেদী আজি গুৱাহাটীলৈ আহিব।

০০০০০০

ডিমা হাচাও জিলাৰ মাইবঙৰ খাচমাইপুৰত কালি ডিমাছা ঐতিহ্য সংগ্ৰহালয় আৰু ডিশ্ৰু গৱেষণা কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। উদ্বোধনী কাৰ্যসূচীত ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছা উপস্থিত থাকে। কছাৰীসকলৰ ঐতিহ্যমণ্ডিত ৰাজধানী মাইবঙত থকা স্থাপত্য আৰু ভাস্কৰ্যসমূহৰ বিষয়ে গৱেষণাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি শ্ৰীগাৰ্লোছাই কয়, যে এই সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰৰ জৰিয়তে ডিমাছা সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰচাৰত গুৰুত্ব দিয়া হ'ব। উদ্বোধনী অনুষ্ঠানত ডিমা হাচাও স্বায়ত্তশাসিত পৰিষদৰ অন্যান্য সদস্যসকলো উপস্থিত থাকে।

০০০০০০

৩৩ সংখ্যক কাৰ্বি সাহিত্য সভা কাৰ্বি লামমেট আমেইৰ সাধাৰণ অধিৱেশনখন পূৰ্বনিৰ্ধাৰিত ২০ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীৰ পৰিৱৰ্তে ২৪ জানুৱাৰীৰ পৰা ২৭ জানুৱাৰীলৈ অনুষ্ঠিত হ'ব। ভোগালী বিহু পালনৰ ধাৰাবাহিকতাৰ খাতিৰত সাহিত্য সভাৰ প্ৰয়োজনীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ নুঠাত অধিৱেশনখনৰ তাৰিখ সলনি কৰা হৈছে বুলি কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক লীলাধৰ তেৰণে জানিবলৈ দিছে।

০০০০০০

চিৰাং জিলাৰ বিজনী প্ৰেছ ক্লাবত অনুষ্ঠিত এখন সংবাদমেলত কালি বড়ো লেখক সংস্থাই ২০২৪-২৫ বৰ্ষৰ কাৰণে সাহিত্য বঁটাৰ বাবে নিৰ্বাচিত ৭ জন লেখকৰ নাম ঘোষণা কৰে। বড়ো লেখক সংস্থাৰ সভাপতি ৰাজেন বসুমতাৰীয়ে সম্বোধন কৰা সংবাদমেলখনত আশা মুছাহাৰী সাহিত্য বঁটাৰ বাবে অনিলা বসুমতাৰী, নিমাতী মুছাহাৰী শিশু লেখক সাহিত্য বঁটাৰ বাবে মমতা বসুমতাৰী, সুকুমাৰ মুছাহাৰী সাহিত্য বঁটাৰ বাবে পৰদেৱ নামেৰে খ্যাত প্ৰদীপ কুমাৰ বসুমতাৰীৰ নাম ঘোষণা কৰা হয়। ইয়াৰ উপৰি বড়ো যুৱ লেখক সাহিত্য বঁটা, মহেন্দ্ৰ মুছাহাৰী সাহিত্য বঁটা, পবিন বৰগয়াৰী কবি বঁটাৰ বাবে ৰঞ্জয় ব্ৰহ্ম, ৰনিছ সানগ্ৰাং আৰু বিপিন চন্দ্ৰ ব্ৰহ্মক নিৰ্বাচন কৰা হৈছে। বড়ো লেখক সংস্থাই প্ৰদান কৰা অৰূপ গৌৰা বসুমতাৰী নাট্য বঁটাৰ বাবে বিৰংজীয়া জে মুছাহাৰীৰ নামো আজিৰ সংবাদমেলত ঘোষণা কৰা হয়। সংবাদমেলত বড়ো লেখক সংস্থাৰ অন্যান্য বিষয়ববীয়াৰ লগতে বঁটা নিৰ্বাচক মণ্ডলীৰ সদস্যসকলো উপস্থিত থাকে।

০০০০০০

চিলাপথাৰ-বেটনিপাম-মালিনিপুৰ আঞ্চলিক টাই-আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজন কৰা মেডাম-মে-ফিৰ লাইখুঁটা কালি বেটনিপাম উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত স্থাপন কৰা হয়। সদৌ টাই-আহোম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে এই অনুষ্ঠানলৈ সহযোগিতা আগবঢ়াইছে।

০০০০০০

পৰম্পৰাগত ৰীতি-নীতিৰ মাজেৰে ৰাজ্যবাসীয়ে বাপতিসাহোন ভোগালী বিহু উদযাপন কৰিলে। ভোগালী বিহুৰ এই বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় কেইখন কাকতেই প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় নৌ সেনা বাহিনীত দুখন নতুন যুদ্ধ জাহাজ আৰু এখন ছাবমেৰিন উচৰ্গা কৰাৰ বাতৰিটো নৌসেনাত অন্তৰ্ভুক্ত দুখন অত্যাধুনিক যুদ্ধ জাহাজ, ছাবমেৰিন শিৰোনামেৰে **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

মহাভিযোগৰ সন্মুখীন হোৱা নিলম্বিত দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি য়ুনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

একতা আৰু পৃথিৱী এক পৰিয়াল বাৰ্তাৰে আৰম্ভ হোৱা মহাকুম্ভ মেলা ২০২৫ত প্ৰথম দিনাই ৩ কোটি ৫০ লাখ ভক্তই গংগাত অমৃতস্নান কৰাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেখন কাকতে চৰাইদেউৰ মৈদামক ইউনেস্ক'ৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ আনুষ্ঠানিক স্বীকৃতি প্ৰদানৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

একেটা বাতৰিকে **দা ছেণ্টিনেল** কাকতেও বিশেষ গুৰুত্ব প্ৰদান কৰিছে।

কামৰূপ জিলাৰ বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱনিৰ্মিত ভৱনৰ দুৱাৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মুকলি কৰাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে মুখ্য বাতৰি হিচাপে স্থান দিছে।

প্ৰেম-ভাতৃত্ববোধৰ বাণীৰে হাজোত বিশাল সমন্বয় শোভাযাত্ৰা। এই বাতৰিটো **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বাংলাদেশ উচ্চ ন্যায়ালয়ে আলফা (স্বাধীন)ৰ মুৰববী পৰেশ বৰুৱাৰ যাৱজ্জীৱন কাৰাদণ্ডৰ শাস্তি ১৪ বছৰলৈ হ্ৰাস কৰাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে মুখ্য বাতৰিৰ স্থান দিছে। একেটা বাতৰিকো **আমাৰ অসম** কাকতেও প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি মৰিগাঁৱত অসম চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হোৱাৰ এটা বাতৰিক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে দৈনিক জনমভূমি, দৈনিক অসমকে ধৰি কেইবাখনো কাকতেও মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাঁও।

০০০০০০

ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে খো-খো বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে। ভাৰতীয় পুৰুষ দলে কালি নতুন দিল্লী ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পেৰুৰ বিৰুদ্ধে ৭০-৩৮ পইণ্টত জয়লাভ কৰে। আদিত্য গণপুলে, শিৱা ৰেড্ডী আৰু শচীন ভাৰগোৰ প্ৰয়াসেৰে ভাৰতীয় দলে প্ৰথমৰ পৰাই খেলখনত আধিপত্য বিস্তাৰ কৰে আৰু ৩২ পইণ্টৰ ব্যৱধানত বিজয় সাব্যস্ত কৰে। খেলখনত ভাৰতৰ অনিকেট পোটেক শ্ৰেষ্ঠ খেলুৱৈ আৰু ৰামজী কাশ্যপক শ্ৰেষ্ঠ এটেকাৰৰ সন্মান প্ৰদান কৰা হয়। পেৰু দলৰ হৈ গেনৰ ৰ্ৰগাছ শ্ৰেষ্ঠ এটেকাৰৰূপে পৰিগণিত হয়।

ইপিনে, ভাৰতীয় মহিলা দলে কালি ইৰাণৰ বিৰুদ্ধে ১০০-১৬ পইণ্টৰ ব্যৱধানত বিজয় সাব্যস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। ভাৰতৰ আক্ৰমণাত্মক খেলৰ বাবে ইৰাণৰ প্ৰথমটো বেট্চ মাত্ৰ ৩৩ ছেকেণ্ডতে আউট হয়। অশ্বিনীয়ে ভাৰতীয় দলৰ আক্ৰমণৰ নেতৃত্ব বহন কৰে আৰু মিনুই বিৰোধী দলৰ

কেইবাগৰাকীও খেলুৱৈক আউট কৰি দলৰ হৈ পইণ্ট অৰ্জন কৰে। ভাৰতৰ প্ৰিয়ংকা ইংলেক শ্ৰেষ্ঠ খেলুৱৈ আৰু মিনুক শ্ৰেষ্ঠ ডিফেণ্ডাৰ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

মঙলদৈৰ বিশাল কাশ্যপে বাংগালুৰুত অনুষ্ঠিত ১৯ সংখ্যক জে কে এ ৰাষ্ট্ৰীয় কাৰাটে শিবিৰ আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত সফলতা অৰ্জন কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিছে। মঙলদৈৰ জ্ঞান গুৰুকুল জাতীয় বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ বিশালে এই প্ৰতিযোগিতাৰ কুমিটেড শিতানত সোণ আৰু কাটাৰ শিতানত ৰূপৰ পদক লাভ কৰে। এই প্ৰতিযোগিতাত জে কে এৰ অসমৰ ৰাজ্যিক নিৰ্দেশক তপন চন্দ্ৰ ডেকাইও শিবিৰৰ দুখন খেলত দুটাকৈ সোণৰ পদক হস্তগত কৰে।

০০০০০০

বতৰৰ বতৰা- ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত  ঘন কুঁৱলী পৰিব বুলি জানিবলৈ দিছে। অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড আৰু মণিপুৰত ক্ষেত্ৰ বিশেষে পাতল কুঁৱলীৰে আৰ্দ্ৰতা বৃদ্ধি সম্ভাৱনা আছে। আনহাতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ফৰকাল হৈ থাকিব।  আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ।

০০০০০০

সমাপ্ত